بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধৰ উদ্ধৃতিত আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ইতিহাসৰ ঈমান বৰ্দ্ধক ঘটনাৱলী**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৯ চেপ্তেম্বৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বদৰৰ যুদ্ধৰ পিছৰ ঘটনাৱলী উল্লেখ কৰি আছিলো। সেই ঘটনাৱলী য'ৰ পৰা তেখেত (ছাঃ)ৰ জীৱনীৰ ঘটনাৱলী জানিব পৰা যায় তাতে যদি ইতিহাস অধ্যয়ন কৰা হয় তাৰ পৰা কিছু ইতিহাসমূলক কথা ফুটি উঠে আৰু কিছু ভুল বৰ্ণনা চিহ্নিত হৈ যায়। যিসকলে ইছলামৰ ভুল চেহেৰা অইন সকলৰ সন্মুখত উত্থাপন কৰে আৰু ইছলামৰ বিৰুদ্ধবাদী সকলে ইয়াৰে পৰাই ইছলামৰ বদনাম কৰাৰ সুযোগ পাই যায়; আৰু যিসকলে কট্টৰপন্থী মুছলমান সিহঁতে নিজৰ উদ্দেশ্যত সাফল্যমণ্ডিত হয়।

আজি যি ঘটনাৱলী মই বয়ান কৰিম তাৰ মাজত প্ৰথম ঘটনা উমেৰ বিন অহবৰ ঘটনা যিয়ে যুদ্ধৰ পিছত নিজৰ আৰু পৌত্তলিক সকলৰ বিফলতাৰ প্ৰতিশোধ লোৱাৰ বাবে, আৰু তেখেত (ছাঃ)ক হত্যা কৰাৰ বাবে মক্কাৰ পৰা মদিনালৈ আহিছিল। কিন্তু তাতে আল্লাহ তা'লাই তেওঁক পৰিৱৰ্তন কৰি দিয়ে যাৰ ফলত তেওঁ ইছলাম গ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰে।

ইয়াৰ বিস্তাৰিত ব্যাখ্যাত লিখিছে যে বদৰৰ যুদ্ধত কয়েদী সকলৰ মাজত অহব বিন উমেয়ও আছিল। তেওঁৰ পিতৃ উমেৰ কুৰাইছৰ নেতা আছিল। অৰ্থাৎ এবাৰ উমেৰ বিন অহব আৰু ছাফৱান বিন উমিয়া হাতিমৰ ওচৰত বহি বদৰৰ যুদ্ধত পৰাজয় হোৱাৰ আৰু কুৰাইছ সকলৰ ধ্বংসৰ কথা আলোচনা কৰি আছিল। উমেৰে কৈছিল যে যদি মোৰ ওচৰত এজন ব্যক্তিৰ ঋণ নাথাকিলেহেঁতেন আৰু মোক মোৰ পিছত নিজৰ পৰিয়াল বৰ্গৰ চিন্তা-ভাৱনা নাথাকিলেহেঁতেন তেন্তে মই মহম্মদ (ছাঃ)ক হত্যা কৰি পেলালোহেঁতেন। মই তাতে গৈ পোৱাৰ কাৰণ এয়াই আছিল যে মোৰ ল'ৰা মুছলমান সকলৰ হাতত কয়েদী আছিল। এই কথাষাৰ শুনাৰ লগে লগে ছাফৱানে দুয়োটা কাম নিজৰ দায়িত্বত লৈ লয় আৰু কয় যে তুমি মহম্মদ (ছাঃ)ক

নাউজুবিল্লাহ হত্যা কৰি পেলোঁৱা। উমেৰে ছাফৱানক কলে, মোৰ আৰু তোমাৰ মাজত যি কথা-বতৰা হৈছে সেয়া গোপন ৰাখিবা। ছাফৱানে প্ৰতিশ্ৰুতি কৰিলে। উমেৰে নিজৰ তৰোৱালখন চোকা কৰিলে সেয়া খাপৰ মাজত সোমালে আৰু মক্কাৰ পৰা মদিনাৰ ফালে যাত্ৰা কৰি মদিনা গৈ পালে। মদিনা যোৱাৰ পিছত মছজিদ নববীৰ কাষত নিজৰ উট বহালে, তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কয় এই খোদাৰ শত্ৰু নিশ্চয় কোনো বেয়া উদ্দেশেৰে ইয়ালৈ আহিছে। হজৰত উমৰ (ৰাঃ)য়ে হুজুৰ (ছাঃ)ৰ কাষত উপস্থিত হৈ কলে যে হে খোদাৰ পয়গম্বৰ! উমেৰ বিন অহবে উলঙা তৰোৱাল লৈ আহিছে। তেখেত (ছাঃ)য়ে কলে যে তেওঁক মোৰ ওচৰলৈ লৈ অহা, হজৰত উমৰ (ৰাঃ)য়ে তেওঁক তেখেত (ছাঃ)ৰ কাষত লৈ আহে। উমেৰে অজ্ঞতাৰ নিয়ম অনুসৰি তেখেত (ছাঃ)ক ছালাম জনালে, তেখেত (ছাঃ)য়ে কলে হে উমেৰ ! খোদা তা'লাই আমাক তোমাৰ এই অজ্ঞতাৰ ছালামতকৈ উত্তম ছালাম শিকাইছে। উমেৰে নিজৰ কথা বৰ্ণনা কৰি কয় যে মই নিজৰ সন্তানৰ উদ্দেশ্যে ইয়ালৈ আহিছো যিজন আপোনালোকৰ অধীনত কয়েদী হৈ আছে। হুজুৰ (ছাঃ)য়ে কয় যে তেন্তে তোমাৰ লগতে তৰোৱাল ৰখাটোৰ উদ্দেশ্য কি ? উমেৰে আকৌ কয় যে মই কয়েদী সন্দৰ্ভত কথা পাতিবলৈ আহিছো। এই কথাৰ ভিত্তিত তেখেত (ছাঃ)য়ে কয় নহয় ! বৰং তুমি আৰু ছাফৱান বিন উমিয়াই এদিনাখন হাতিম নামৰ ঠাইত বহি হত্যা হৈ যোৱা সকলৰ বিষয়ে আলোচনা কৰি আছিলা। ইমানখিনি কোৱাৰ পিছত তেখেত (ছাঃ)য়ে সিহঁতৰ মাজত হোৱা সকলোবোৰ কথা বৰ্ণনা কৰি দিলে। উমেৰে এই সমূহ কথা শুনি আচৰিত হৈ যায় তাৰ পিছত ইছলাম গ্ৰহণ কৰি লয়। উমেৰে কয় যে আমি দুয়োজনে যেতিয়া এই সমূহ কথা আলোচনা কৰি আছিলো তেতিয়া তাতে তৃতীয় ব্যক্তি নাছিল। গতিকে তেখেত (ছাঃ)ক এই কথা আল্লাহৰ বাহিৰে আন কোনেও জনোৱা নাই। তাৰ পিছত উমেৰে হুজুৰ (ছাঃ)ৰ পৰা মক্কা উভতি যোৱাৰ বাবে অনুমতি বিচাৰে আৰু মক্কাবাসীক ইছলামৰ ফালে আমন্ত্ৰণ কৰাৰ অনুমতিও বিচাৰিলে তেতিয়া হুজুৰ (ছাঃ)য়ে অনুমতি প্ৰদান কৰিলে।

আনফালে চাফৱানে মক্কাবাসী সকলক ক'ব ধৰিলে যে মই অনতি পলমে তোমালোকক এটা শুভ সংবাদ দিম যে তোমালোকে বদৰৰ যুদ্ধত পোৱা আঘাত পাহৰি যাবা। তেওঁ উমেৰৰ কাৰ্যকলাপৰ বিষয়ে সকলো সুধিব ধৰিলে, অৱশেষত এদিনাখন উমেৰ ইছলাম গ্ৰহণ কৰা বুলি জানিব পাৰিলে। যেতিয়া উমেৰ মক্কা গৈ পায় তেওঁ পোনপটীয়াকৈ তেওঁৰ নিজৰ ঘৰলৈ যায় আৰু নিজৰ স্ত্ৰীক ইছলামৰ পয়গাম জনায়। তাৰ পিছত ছাফৱানৰ ওচৰলৈ যায় তেওঁক ইছলামৰ সত্যতাৰ বিষয়ে জনায়। ছাফৱানে উমেৰৰ কথাৰ ওপৰত কোনো গুৰুত্ব নিদিয়াকৈ কোনো মনোযোগ আকৰ্ষণ নিদিলে।

বদৰৰ যুদ্ধৰ পিছত কিছুমান লোক সকল মুছলমান হৈ গৈছিল; কিন্তু সিহঁত কপটতা আছিল। তাৰ মাজত আব্দুল্লাহ বিন আবি বিন ছুলুল আছিল। তেওঁ হুজুৰ (ছাঃ)ৰ আগমনৰ আগতে অউছ আৰু খজৰজ কবিলাৰ নেতা হ'ব লগীয়া আছিল। কিন্তু হুজুৰ (ছাঃ)ৰ আগমনৰ পিছত এনে হোৱাত বিফল হয় তাৰ পিছত ইছলামৰ বিৰুদ্ধে গুপ্ত কৌশল অৱলম্বন কৰিব ধৰিলে।

বদৰৰ যুদ্ধৰ পৰা উভতি অহাৰ সময়ত তেখেত (ছাঃ) য়ে সংবাদ পাই যে বনু ছলিম আৰু বনু গাতফানৰ লোক সকলে মদিনাৰ ওপৰত আক্ৰমণ কৰাৰ বাবে প্ৰস্তুত হৈ আছে। এই সংবাদ পোৱাৰ লগে লগে তেখেত (ছাঃ)য়ে বনু ছলিম আৰু গাতফানৰ ফালে যোৱাৰ বাবে খোজ আগবঢ়ালে আৰু তিনি শ চাহাবা সকলৰ সৈতে তেখেত (ছাঃ)য়ে যাত্ৰা আৰম্ভ কৰে। যেতিয়া বনু ছলিম আৰু গাতফানে মুছলমান সকল হঠাতে অহাৰ খবৰ পায় তেতিয়া ভীতিগ্ৰস্ত হৈ এখন পাহাৰৰ ওখ স্থানলৈ গৈ পলায়ন কৰে। তেখেত

(ছাঃ) আৰু চাহাবা সকলে কিছু দিনলৈকে তাতেই অৱস্থান কৰে, সেই সময়ছোৱাত কোনোবাই তেখেত (ছাঃ)ৰ মোকাবিলালৈ অহাৰ সাহস নাপালে। সিহঁতে যুদ্ধ কৰাৰ বাবে আহিছিল সেই কাৰণে সেই যুগৰ নীতি অনুসৰি সিহঁতৰ বস্তু-বাহানি নিজৰ দখলত লৈ লোৱাটো বৈধ আছিল। এটা বৰ্ণনা অনুযায়ী এই যুদ্ধত আঁহজৰত (ছাঃ)ক মালে গনিমত (যুদ্ধৰ পিছত বিৰোধী দল সকলে যি বস্তু-বাহানি এৰি গুচি যায় সেই বস্তুক মালে গনিমত বুলি কোৱা হয়) হিচাপে পাঁচ শ উট পাইছিল। এই অভিযান সন্দৰ্ভত তেখেত (ছাঃ)য়ে পোন্ধৰ দিন মদিনাৰ পৰা বাহিৰত অৱস্থান কৰিছিল।

আঁহজৰত (ছাঃ)য়ে প্ৰব্ৰজনৰ পিছত শ্বোৱাল ২ হিজৰীত খোদা তা'লাৰ আদেশ অনুসৰি মুছলমান সকলে প্ৰথম ঈদুল ফিতৰ উৎযাপন কৰে। আঁহজৰত (ছাঃ)য়ে উভয় ঈদ উপলক্ষে চাহাবা সকলক কৈছিল যে এই দুয়ো ঈদৰ দিনা কোনোবাই ৰোজা নাৰাখিবা, বৰং খোৱা-লোৱা কৰিব আৰু আনন্দ উপভোগ কৰিবা। দুয়ো ঈদৰ বাবে মদিনাৰ পূবফালে অৱস্থিত ঈদগাহলৈ উপস্থিত হৈছিল।

হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে,

ইছলামৰ ঈদ নিজৰ মাজত এটা বিশেষ মহানতা ৰাখে আৰু তাৰ পৰা ইছলামৰ সত্যতা বৰ উজ্জ্বলতাৰে ফুটি উঠে। ইয়াৰ পৰা ধাৰণা কৰাৰ সুযোগ পোৱা যায় যে কেনেকৈ ইছলামে মুছলমান সকলৰ প্ৰত্যেক কাম আল্লাহৰ স্মৰণৰ সৈতে সংলগ্ন কৰি ৰাখিছে।

বদৰৰ যুদ্ধৰ পিছত আৰু উহুদৰ যুদ্ধৰ আগতে দুটা সন্দেহৰ ঘটনাৰ উল্লেখ পোৱা যায় সেই সমূহৰ যদি পৰ্যালোচনা কৰা হয় তেন্তে সুস্পষ্ট ভাৱে প্ৰকাশ পায় যে সেয়া মনগড়া কাহিনী।

প্ৰথম ঘটনা এজনী ইহুদী মহিলা আছমা বিনতে মাৰৱানৰ হত্যা। অৰ্থাৎ তাইৰ সম্বন্ধে কোৱা হয় যে তাইক হত্যা কৰা হৈছিল। ইয়াৰ বিৱৰণত লিখিছে যে হজৰত উমেৰ বিন আদি এজন অন্ধ চাহাবা আছিল। ৰমজান ২ হিজৰীৰ দিনৰ শেষ ভাগত আঁহজৰত (ছাঃ)য়ে উমেৰ বিন আদিক আছমা বিনতে মাৰৱানৰ ফালে প্ৰেৰণ কৰে যিজনী ইহুদী মহিলা আছিল। বৰ্ণনা কৰা হয় যে তেওঁক এই কাৰণেই প্ৰেৰণ কৰা হৈছিল কাৰণ তাই ইছলামক গালি-শপনি পাৰিছিল; আৰু তেখেত (ছাঃ)ৰ বিৰুদ্ধে লোক সকলক উত্তেজিত কৰিছিল আৰু কবিতা সমূহ পাঠ কৰিছিল। হজৰত উমেৰ নিশাৰ অন্ধকাৰত তাইৰ ঘৰত প্ৰৱেশ কৰে। সেই মহিলাজনীৰ আশে-পাশে তাইৰ শিশুবিলাক শুই আছিল; তাই নিজৰ শিশুক স্তন-পান কৰাই আছিল। উমেৰ তাইৰ বুকুৰ মাজত তৰোৱাল চলায় তাইক হত্যা কৰি দিয়ে। তাৰ পিছত উমেৰ উভতি আহি আঁহজৰত (ছাঃ)ৰ পিছফালে ফজৰৰ নামাজ আদায় কৰে। আঁহজৰত (ছাঃ)ৰ বাৰে বাৰে জিজ্ঞাসা কৰাৰ ফলত কয় যে তেওঁ আছমা বিনতে মাৰৱানক হত্যা কৰি পেলাইছে।

আন এটা ৰিৱায়তত পোৱা যায় যে উমেৰ বিন আদিয়ে আছমা বিনতে মাৰৱানক হত্যা কৰি পেলাইছে, এই সন্দৰ্ভত আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক কৈছে যে তোমালোকে যদি এনেকুৱা ব্যক্তিক চাব বিচৰা যিয়ে আল্লাহ আৰু তাৰ ৰছুলৰ সহায় কৰিছে তেন্তে উমেৰ বিন আদিক চোৱা। ইস্তিয়াবত উমেৰ বিন আদিৰ অৱস্থাৰ অধীনত লিখিছে যে তেওঁ নিজৰ ভনীকও হত্যা কৰিছিল কাৰণ তাই আঁহজৰত (ছাঃ)ক গালি দি থাকিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইতিহাস আৰু কিছুমান পুস্তক সমূহত এইবোৰ ঘটনাৱলীৰ উল্লেখ পোৱা যায় কিন্তু ছিহা ছিত্তা হাদীছৰ কোনো হাদীছতে এনেকুৱা ঘটনাৰ উল্লেখ পোৱা নাযায়। মূল কথা এয়া যে কিছুমান লোক সকলে পিছত ভিন্ন প্ৰকাৰ মনগড়া ঘটনা সমূহ নিজৰ নিজৰ পুস্তক সমূহত লিপিবদ্ধ কৰি

পয়গম্বৰৰ অসন্মানী কৰা সকলক শাস্তি দিয়াৰ কথা সমূহ উত্থাপন কৰিছে।

আজিকালিৰ মৌলবী সকলে এই ঘটনাৱলীক দলিল হিচাপে উত্থাপন কৰে যে যিসকলে পয়গম্বৰৰ সন্মানৰ হানি বিচাৰে তেওঁক হত্যা কৰা হওঁক। অৰ্থাৎ পয়গম্বৰ সকলৰ সন্মানৰ হানি বিচৰা সকলৰ বাবে ইছলামত কোনো শাস্তি দিয়াৰ কথা উল্লেখ পোৱা নাযায়। এনে ধৰণৰ ঘটনাৱলীত কোনো সত্যতাও নাই। উদাহৰণ স্বৰূপ যদি হাদীছ গভীৰ ভাৱে অধ্যয়ন কৰা হয় তেন্তে জানিব পৰা যায় যে ছনদ হিচাপে এই সমূহ ৰিৱায়ত দুৰ্বল। ইয়াৰ এজন বৰ্ণনাকাৰী মহম্মদ বিন উমৰু ৱাকদী মিছলীয়া আছিল। প্ৰশ্ন উত্থাপন হয় যে চাহাবা জন অন্ধ হোৱা সত্বেও সেই মহিলাজনীৰ ঘৰত কেনেকৈ গৈ পায় ? মহিলা জনীক অন্ধকাৰ ৰাতিত কেনেকৈ বিচাৰি উলিয়ায় ? যদি সন্ধান কৰি বিচাৰি উলিয়ায় সেই সময়ত কোনোবাই সাৰ পোৱা নাছিন নে ? সন্ধান কৰি এয়াও জানিব পৰিছিল যে সেই মহিলা গৰাকীয়ে শিশুক স্তনপান কৰাই আছিল; আৰু হত্যা হোৱা জনীয়ে নিজৰ মৃত্যুৰ কথা চিন্তা নকৰি এজন অন্ধ ব্যক্তিৰ পৰা ৰক্ষা পোৱাৰ বাবে অকণো চেষ্টা কৰা নাছিন নে ? মহিলা গৰাকীৰ দৃষ্টি শক্তি থকা সত্বেও হৈ হাল্লা কৰা নাছিল নে ? সেই মহিলা গৰাকীৰ স্বামী তাতেই শুই আছিল তেওঁয়ো একোৱেই জানিব পৰা নাছিন নে ? সকলোতকৈ ডাঙৰ কথা এয়া যে অন্ধ সকলে শব্দৰ মাধ্যমে চিনি পায়। অন্ধ চাহাবা জন কেনেকৈ বিনা শব্দৰে জানিব পাৰিলে যে সেই মহিলা গৰাকী আছমা বিনতে মাৰৱান আছিল ? আন এটা ৰিৱায়তত পোৱা যায় যে সেই মহিলা গৰাকীয়ে যেতিয়া খেজুৰ অনাৰ বাবে ভিতৰলৈ যায় আৰু খেজুৰ উঠোৱাৰ বাবে উকি যায়; তেতিয়া সেই অন্ধ চাহাবাজনে সোঁ ফালে আৰু বাওঁফালে চাই তাইৰ মূৰৰ ওপৰত মাৰি তাইক হত্যা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াৰ বাহিৰে অধিক বৰ্ণনাত মহিলা গৰাকীৰ নাম, হত্যাকাৰীৰ নাম, হত্যা কৰা সময় আৰু পদ্ধতি সমূহত মতভেদ দেখিবলৈ পোৱা যায় যাৰ ফলত এই ঘটনাৱলী সাজি উলিওৱা আৰু মনগড়া বুলি প্ৰমাণিত হয়।

হুজুৰ আনোৱৰ (আইঃ)য়ে কৈছে যে কঠোৰতা প্ৰয়োগ কৰা মৌলবী মোল্লা সকলে এই ধৰণৰ সাজি উলিওৱা কথা সমূহৰ ওপৰত গুৰুত্ব দি ইছলামৰ সুন্দৰ শিক্ষাৰ বদনাম কৰি আছে আৰু এই মোল্লা সকলে এনে মনগড়া কাহিনী সাজি উলিয়াই আহমদী সকলৰ বিৰুদ্ধে কঠোৰতা প্ৰয়োগ কৰি থাকে আৰু লোক সকলক উত্তেজিত কৰি থাকে।

হুজুৰ আনোৱাৰ (আইঃ) কৈছে যে আন ঘটনাটোও এনেকুৱাই যি পৰৱৰ্তীত বৰ্ণনা কৰা হ’ব।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ ۔ عِبَادَ اللّٰہِ رحمکم الله اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ ۔

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844